**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

::::::::::::::::::::::::::::::::::::::::

কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি তেজপুৰত ভাৰতীয় সেনা বাহিনীৰ সৈতে দীপাৱলী উদযাপন কৰে। এই কাৰ্যসূচীত সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দীবেদীৰ লগতে সেনাৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। এই উপলক্ষে সেনা জোৱানসকলক সম্বোধন কৰি শ্ৰীসিঙে কয় যে, প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলত পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে ভাৰত আৰু চীন সহমতত উপনীত হৈছে। তেওঁ কয় যে, প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কেতবোৰ অঞ্চলত পাৰস্পৰিক সংঘাত সমাধানৰ বাবে দুয়ো দেশে আলোচনাত মিলিত হৈছিল। সেনা বাহিনীৰ সাহস আৰু অনুশাসনৰ বাবেই এই সফলতা লাভ কৰিছে বুলি তেঁও উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পোহৰৰ উৎসৱ দীপাৱলী আৰু কালী পূজা উপলক্ষে অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে এন্ধাৰ বিনাসী আগুৱাই যোৱা উৎসৱ দীপাৱলীৰ তাৎপৰ্যই সকলোকে প্ৰমূল্যৰ ভিত্তিত মানৱীয় সমাজ গঢ়িবলৈ প্ৰেৰণা যোগায়। এই উৎসৱে জনসাধাৰণৰ মাজত ভাতৃত্ববোধৰ বান্ধোন শক্তিশালী কৰাৰ লগতে শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। এ আই ইউ ডি এফ দলেও অসমবাসীলৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। দলৰ সভাপতি তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে এই উপলক্ষে দিয়া এটা বাৰ্তাত দীপান্বিতাৰ পোহৰে সমাজৰ পৰা হিংসা বিদ্বেষ, অসূয়া অপ্ৰীতিৰ ভাৰ আঁতৰাই সাতামপুৰুষীয়া সম্প্ৰীতিৰ এনাজৰি শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে।

কাৰ্বি আংলং জিলা দণ্ডাধীশে ৪২ গৰাকী ব্যৱসায়ীক দীপাৱলীৰ সময়ত আতচবাজীৰ ক্ৰয়-বিক্ৰীত অনুমতি প্ৰদান কৰিছে। ব্যৱসায়ীসকলে আজিৰে পৰা ১ নৱেম্বৰলৈ এই সামগ্ৰীসমূহ বিক্ৰী কৰিব পাৰিব। ০০০০

০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে দীঘলীপুখুৰীৰ পশ্চিম আৰু পূব পাৰৰ পথ দুটা ব্যৱহাৰ নকৰাকৈ জি এন বি পথত উৰণ সেঁতু নিৰ্মাণৰ বিষয়টো সম্পৰ্কে আলোচনা কৰিবলৈ ৰাজ্যৰ মুখ্য সচিব ড০ ৰবী কোটা আজি লোক নিৰ্মাণ পথ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন আলোচনাত মিলিত হয়। এই বৈঠকত দীঘলীপুখুৰীৰ আশে পাশে থকা ঐতিহ্য বহনকাৰী গছসমূহ নকটাকৈ তথা জি এন বি পথৰ প্ৰস্তাৱিত উৰণ সেঁতুৰ যান বাহনৰ চলাচল সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ মুখ্য সচিবগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। অহা এসপ্তাহৰ ভিতৰত এই সন্দৰ্ভত প্ৰস্তাৱ সংযোজন কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে, গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ বহু পুৰণি গছ কটাৰ সিদ্ধান্তৰ বিৰুদ্ধে সচেতন ৰাইজে প্ৰতিবাদ কৰাৰ পাছতে ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বিকল্প প্ৰস্তাৱৰ সন্ধান আৰু ইয়াৰ সম্ভাৱনা মূল্যায়ন কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক কেইদিনমান সময় দিবলৈ সকলোকে আহ্বান জনাইছিল। তেওঁ লগতে ৰাজ্য চৰকাৰে আন্তঃগাঁথনি আগুৱাই নিয়াৰ সমান্তৰালকৈ গুৱাহাটীৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ দিশত গুৰুত্ব দি আহিছে বুলিও উল্লেখ কৰিছিল।

০০০

রাজ্যৰ ৫ টা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰাটো নিশ্চিত হৈছে। আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ধলাই বিধানসভা সমষ্টিৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ ফলত সমাগত উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া মুঠ প্ৰাৰ্থীৰ সংখ্যা ৩৪ গৰাকী হয়। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ধলাইত ৮ জন, ছিদলীত ৩ জন, বঙাইগাঁৱত ৮ জন, বিহালীত ৪ জন আৰু চামগুৰি সমষ্টিত ১১ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

ইফালে, উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। পাঁচোটা সমষ্টিতে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আম আদমী পাৰ্টীয়ে তীব্ৰ প্ৰচাৰ অভিযান চলায়। চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত মন্ত্ৰী বিমল বৰাই কেইবাখনো এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। চিৰাং জিলাৰ ছিদলী বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত আজি প্ৰচাৰ চলোৱা হয়। গৰুভাষা নাগদলবাৰীত অনুষ্ঠিত প্ৰচাৰ সভাত ৭০ গৰাকী লোকে ইউ পি পি এল দলত যোগদান কৰে।

০০০

ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ উপাধ্যক্ষ নাৰায়ণ চন্দ্ৰ বৰকটকীয়ে আজি নলবাৰীত উপস্থিত হৈ কৰ্মসংস্থাপন সৃষ্টিৰ বাবে বিজ্ঞানসন্মত পদ্ধতিৰে ছাগলী পালন প্ৰকল্পৰ পৰ্যালোচনা কৰে। আয়োগৰ অধীনৰ এই প্ৰকল্প অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত বৰ্ণিহাটৰ ছাগলী গৱেষণা কেন্দ্ৰই ৰূপায়ণ কৰিছে। ইয়াৰ দ্বাৰা গ্ৰামাঞ্চলৰ বহু লোক স্বাৱলম্বী হ'ব বুলি আশা কৰা হৈছে।

০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত আজি ৰাজ্যৰ কেবিনেট মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিভিন্ন বিভাগৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে বিটিআৰ প্ৰশাসন, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো আঁচনি জিলাখনত সঠিকভাৱে ৰূপায়িত হোৱাত গুৰুত্ব আৰোপ কৰে। পৰৱৰ্তী সময়ত তেঁও ক্ষেত্ৰ ভিত্তিত পৰিদৰ্শন কৰি আঁচনিসমূহৰ ৰূপায়ণৰ বুজ লব বুলি প্ৰকাশ কৰে। আজিৰ বৈঠকত বিধায়ক ফণীধৰ তালুকদাৰ, বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, জিলা আয়ুক্ত, আৰক্ষী অধীক্ষকৰ উপৰি জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ